DAILY ASSAM

## ২৮। পদান্বয় (Parsing)

২৮ ঃ ১ বাক্যত ব্যৱহাৰ হোৱা প্ৰত্যেকটি পদৰ বিশেষ বিৱৰণ বা পৰিচয় দিয়াকেই পদান্বয় বা পদ-পৰিচয় (Parsing) কোৱা হয়।

২৮ ঃ ২ মনৰ ভাব প্ৰকাশক বাক্যটো প্ৰকাৰ অনুযায়ী প্ৰথমে বিশ্লেষণ বা ভাগ কৰি ল'ব লাগে। কাৰণ অসমীয়া ভাষাত সৰল বাক্যৰ উপৰিও মিশ্ৰ আৰু যৌগিক বাক্য আছে। ভাগ ভাগকৈ সৰল বাক্যলৈ আনি তাত ব্যৱহাৰ হোৱা পদবোৰৰ পৰিচয় দিব লাগে। বাক্যত মুঠতে পাঁচবিধ পদ ব্যৱহাৰ হয়, সেই পদবোৰৰ কি কি পৰিচয় দিব লাগে তলত উল্লেখ কৰা হ'ল।

২৮ ঃ ৩ পদ পৰিচয় ঃ

১। বিশেষ্য ঃ কোন প্ৰকাৰৰ, তাৰ লিংগ আৰু বচন, পুৰুষ বিভক্তি আৰু কাৰক, কোন ক্ৰিয়াৰ লগত সম্পৰ্ক দেখুৱাব লাগে। সম্বন্ধ পদ হ'লে কাৰ লগত সম্পৰ্ক আছে ক'ব লাগে।

২। সৰ্বনাম ঃ কোন বিধৰ সৰ্বনাম, সম্ভৱ হ'লে কাৰ সলনি বহিছে। কোন বচন, কি লিংগ, কোন পুৰুষৰ কি বিভক্তি আৰু কি কাৰক, কোন ক্ৰিয়াৰ লগত সম্পৰ্ক, সম্বন্ধ পদ হ'লে কাৰ লগত সম্পৰ্ক।

৩। বিশেষণ ঃ কোন শ্ৰেণীৰ বিশেষণ, কোন নামশব্দক বিশেষ কৰিছে নাইবা কোন ক্ৰিয়াক বা বিশেষণক বিশেষ কৰিছে, বিশেষ্যৰ বিশেষণ হ'লে— সম্ভৱ ক্ষেত্ৰত লিংগৰ উল্লেখ কৰিব লাগে।

৪। অব্যয় ঃ কোন প্ৰকাৰৰ অব্যয় কাৰ লগত সম্বন্ধ আছে।

৫। ক্ৰিয়া ঃ সমাপিকা নে অসমাপিকা, অকৰ্মক, সকৰ্মক নে দ্বিকৰ্মক, সকৰ্মক বা দ্বিকৰ্মক হ'লে কৰ্মৰ উল্লেখ, সকৰ্মক অসমাপিকা হ'লে কৰ্ম আৰু কৰ্তাৰ উল্লেখ।

(ক) সমাপিকা ক্ৰিয়া ঃ কাৰ লগত অন্বয়, কৰ্তা কি, কোন পুৰুষ, আৰু বচন, কি কালৰ ক্ৰিয়া, কি ক্ৰিয়াবিভক্তি, কোন বাচ্যৰ ক্ৰিয়া, কি কৰ্তা আৰু কি কৰ্ম উল্লেখ কৰিব লাগে।

(খ) পাঁচনী ক্ৰিয়া ঃ পাঁচনী কৰ্তা কি, প্ৰযোজ্য কৰ্তা কি, কাল, পুৰুষ, বাচ্যৰ উল্লেখ কৰিব লাগে।

(গ) সহায়কাৰী ক্ৰিয়া ঃ কি ক্ৰিয়াৰ সহায়কাৰী, মুখ্য আৰু গৌণ ক্ৰিয়া, কি কাল, পুৰুষ আৰু কৰ্তা, কৰ্মৰ উল্লেখ কৰা উচিত।

(ঘ) অনিয়মিত ক্ৰিয়া ঃ কি কৰ্তা, কোন পুৰুষ আৰু কোন কালৰ ক্ৰিয়া।

(ঙ) কৃদন্ত ঃ বিশেষ্য নে বিশেষণ, বিশেষ্য হ'ল কিয়? কাৰক আৰু কাৰক বিভক্তি, কোন ক্ৰিয়াৰ লগত সম্পৰ্ক, কোন পুৰুষৰ।

(চ) নামধাতু ঃ কোন নামশব্দই ধাতু ৰূপ ল'লে, সকৰ্মক নে অকৰ্মক, সকৰ্মক হ'লে কৰ্মৰ উল্লেখ, বিভক্তি আৰু কাৰক।

৬। উপপদ, অনুৰূপ শব্দ ঃ কোন পদৰ সহযোগী, সহযোগী পদৰ অন্বয়েই এনে শব্দৰ অন্বয় হ'ব।

DAILY ASSAM



"ৰজা দশৰথে কৈকেয়ীৰ এনে প্ৰস্তাৱ শুনি মূৰ্চ্ছা গ'ল আৰু মাটিত ঢলি পৰিল।" এইটো এটা যৌগিক বাক্য। ইয়াক ভাঙি ভাগ ভাগ কৰিলে আমি পাম (১) (ক) ৰজা দশৰথ মূৰ্চ্ছা গ'ল (খ) (ৰজা দশৰথে) কৈকেয়ীৰ এনে প্ৰস্তাৱ শুনি আৰু (২) (ৰজা দশৰথ) মাটিত ঢলি পৰিল।

ৰজা— সাধাৰণ সংজ্ঞাবাচক বিশেষ্য, পুংলিংগ, একবচন, বিশেষণ ৰূপে ব্যৱহাৰ হৈছে। 'দশৰথ' নামশব্দৰ বিশেষণ, 'দশৰথ' শব্দৰ সমকাৰক।

দশৰথে— বিশেষ সংজ্ঞাবাচক বিশেষ্য, পুংলিংগ, একবচন, তৃতীয় পুৰুষ, ১মা বিভক্তি, কৰ্তা কাৰক, 'গ'ল' আৰু 'পৰিল' ক্ৰিয়াৰ কৰ্তা।

কৈকেয়ীৰ— বিশেষ সংজ্ঞাবাচক বিশেষ্য, স্ত্ৰীলিংগ, একবচন, তৃতীয় পুৰুষ, ষষ্ঠী বিভক্তি, সম্বন্ধপদ, 'প্ৰস্তাৱ' শব্দৰ লগত সম্বন্ধ।

এনে— বিশেষণ সৰ্বনাম, 'প্ৰস্তাৱ' শব্দটোক বিশেষ কৰিছে।

প্ৰস্তাৱ— ক্ৰিয়াবাচক বিশেষ্য ক্লীৱলিংগ, একবচন, তৃতীয় পুৰুষ, ২য়া বিভক্তি, কৰ্মকাৰক, 'শুনি' ক্ৰিয়াৰ কৰ্ম।

শুনি— অসমাপিকা ক্ৰিয়া, সকৰ্মক, 'প্ৰস্তাৱ' ইয়াৰ 'কৰ্ম', 'দশৰথ' ইয়াৰ কৰ্তা।

মূৰ্চ্ছা— ক্ৰিয়াবাচক বিশেষ্য 'গ'ল' ক্ৰিয়াৰ কৰ্মৰ দৰে বহিছে।

গ'ল— সমাপিকা ক্ৰিয়া, স্বৰূপভূত, তৃতীয় পুৰুষ, একবচন, কৰ্তৃবাচ্য, 'দশৰথে' কৰ্তা।

আৰু— সংযোজক অব্যয়, (১) আৰু (২) নং বাক্য দুটা সংযোগ কৰিছে।

মাটিত— সাধাৰণ সংজ্ঞাবাচক বিশেষ্য, ক্লীৱলিংগ, একবচন, তৃতীয় পুৰুষ, ৭মী বিভক্তি, অধিকৰণ কাৰক।

ঢলি— কৃদন্ত শব্দ, 'পৰিল' সহায়কাৰী ক্ৰিয়াৰ কৰ্ম স্বৰূপে ব্যৱহাৰ হৈছে।

পৰিল— সমাপিকা, অকৰ্মক ক্ৰিয়া, স্বৰূপভূত কাল, কৰ্তৃবাচ্য, তৃতীয় পুৰুষ, একবচন, 'দশৰথে' ইয়াৰ কৰ্তা।

## অনুশীলনী

তলত দিয়া বাক্যকেইটাৰ পদ পৰিচয় দিয়াঁ ঃ

(ক) মহাত্মা গান্ধী সকলো ধৰ্মৰ প্ৰতি বৰ উদাৰ আছিল।

(খ) বহাগত ফুলাম গামোচা মূৰত মাৰি ডেকাহঁতে বিহুনাচ নাচে আৰু মনৰ আনন্দেৰে বিহুগীত গায়।

(গ) অঞ্জলি বৰ শান্ত ছোৱালী, তাইক সকলোৱে মৰম কৰি উপহাৰ দিয়ে।